**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিকশিত ভাৰত যুৱ নেতা বৈঠকত অংশগ্ৰহণ কৰিব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত আয়োজিত ড্ৰাগছ সৰবৰাহ আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা শীৰ্ষক সন্মিলনত অধ্যক্ষতা কৰিব।

৩। ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ পাছতে মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে। কালি প্ৰথম দিনা বিভিন্ন বিধানসভা সমষ্টিৰ ৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

৪। পাকিস্তানৰ বালুচিস্তান প্ৰদেশত যোৱা বৃহস্পতিবাৰে এটা কয়লাখনিত গেছ বিস্ফোৰণ হৈ কমেও ১২ জন লোকৰ মৃত্যু হয়। **আৰু**

৫। মালয়েছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত ভাৰতৰ সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটীয়ে আজি ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিকশিত ভাৰত যুৱ নেতা বৈঠকত অংশগ্ৰহণ কৰিব। ভাৰতৰ মহান আধ্যাত্মিক নেতা তথা যুৱ আইকন স্বামী বিবেকানন্দৰ জন্মবাৰ্ষিকী উপলক্ষে ৰাষ্ট্ৰীয় যুৱ দিৱস পালন কৰা হয়। এই বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে সমগ্ৰ দেশৰ ৩ হাজাৰ সক্ৰিয় যুৱ নেতাৰ সৈতে বাৰ্তালাপ কৰিব। তেওঁ লগতে অংশগ্ৰহণকাৰীসকলে প্ৰযুক্তি, বহনক্ষমতা, নাৰী সবলীকৰণ, নিৰ্মাণকাৰ্য আৰু কৃষিকে ধৰি ১০টা বিষয়ত লিখা শ্ৰেষ্ঠ ৰচনাসমূহৰ এটা সংকলন মুকলি কৰিব। এই বিকশিত ভাৰত যুৱ নেতা বৈঠকৰ জৰিয়তে বিগত ২৫ বছৰে অনুষ্ঠিত কৰি অহা ৰাষ্ট্ৰীয় যুৱ মহোৎসৱৰ পুৰণি পৰম্পৰাক আঁতৰ কৰাৰ লক্ষ্য লোৱা হৈছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত আয়োজিত ড্ৰাগছ সৰবৰাহৰ আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা শীৰ্ষক এখন সন্মিলনৰ অধ্যক্ষতা কৰিব। মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থা চমুকৈ এন চি বিৰ উদ্যোগত আয়োজিত সন্মিলনখনত মূলত উত্তৰ ভাৰতৰ আঠখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত ক্ৰমাগতভাবে বাঢ়ি অহা ড্ৰাগছৰ সৰবৰাহে ৰাষ্ট্ৰীয় নিৰাপত্তাত পেলোৱা প্ৰভাবৰ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই অনুষ্ঠানৰ পৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ড্ৰাগছ বিনষ্ট পষেক অভিযান আৰম্ভ কৰাৰ লগতে ভূপালত এনচিবিৰ মাণ্ডলিক কাৰ্যালয়ৰ নতুন ভৱন উদ্বোধন কৰিব । অহা ২৫ জানুৱাৰীলৈকে চলিবলগীয়া ড্ৰাগছ বিনষ্ট পষেক অভিযানৰ সময়ছোৱাত ইতিমধ্যে জব্দ কৰা ৪৪ হাজাৰ কিলোগ্ৰামতকৈ অধিক নিচাজাতীয় সামগ্ৰী জ্বলাই পেলোৱা হ'ব। এই ড্ৰাগছ সমূহৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য হৈছে প্ৰায় দুহেজাৰ ৪১১ কোটি টকা।

এই সন্মিলনত ৰাষ্ট্ৰীয় মাদক দ্ৰব্য নিবাৰণী হেল্পলাইন ‘MANAS’ পৰ্টেলৰ জড়িয়তে যাতে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ড্ৰাগছ বিৰোধী বিশেষ বাহিনীয়ে ড্ৰাগছ সম্পৰ্কীয় সকলো তথ্য সঠিক সময়ত লাভ কৰাৰ সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰা হ'ব।

উল্লেখযোগ্য যে ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে কেন্দ্ৰীয় বিজেপি নেতৃত্বাধীন চৰকাৰখনে শূন্য সহনশীলতা নীতি গ্ৰহণ কৰিছে।গৃহ মন্ত্ৰালয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতক ড্ৰাগছমুক্ত দেশ হিচাপে গঢ় দিয়াৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছে।

ooooo

৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ পাছতে মনোনয়ন প্ৰক্ৰিয়া কালি আৰম্ভ হয়। মনোনয়নৰ কালি প্ৰথম দিনা বিভিন্ন বিধানসভা সমষ্টিৰ ৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। অহা ১৭ জানুৱাৰী মনোনয়ন দাখিলৰ অন্তিম দিন। ইফালে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে নিজ নিজ এলেকাত ভোটদাতাসকলক আকৰ্ষিত কৰিবৰ বাবে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। নতুন দিল্লী বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী পাৰ্ভেশ বাৰ্মাই সমষ্টিটোৰ বিভিন্ন অঞ্চলত গৈ প্ৰচাৰ চলাইছে। একেটা সমষ্টিৰে কংগ্ৰেছ প্ৰাৰ্থী সন্দীপ দিক্ষিতেও প্ৰচাৰ অভিযানত নামি পৰিছে। এইখন আসনৰ পৰাই আম আদমী পাৰ্টিৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালেও প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কলকাজি বিধানসভা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়োৱা দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীয়ে নিজৰ সমষ্টিত প্ৰচাৰ চলোৱা পৰিলক্ষিত হয়। একেটা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়োৱা বিজেপি ৰমেশ বিধুৰীয়ে কালি গোবিন্দপুৰী আৰু অন্যান্য অঞ্চলতসমূহত নিৰ্বাচন প্ৰচাৰ চলায়। মালবিয়া নগৰ অঞ্চলত বিজেপি প্ৰাৰ্থী সতীশ উপাধ্যায় আৰু আম আদমী পাৰ্টিৰ প্ৰাৰ্থী সোমনাথ ভাৰতীয়ে কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। ৰাজৌৰি গাৰ্ডেনৰ বিজেপি প্ৰাৰ্থী মজিন্দাৰ সিং ছিৰছাই কালি এখন জনসভাত অংশ লয়। উল্লেখযোগ্য যে দিল্লী বিধানসভা নিৰ্বাচন অহা ৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব আৰু ৮ ফেব্ৰুৱাৰীত ভোটগণনা কৰা হ'ব।

oooooo

দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰিবলৈ বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ এখন বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হয়। বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিজেপিৰ সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ আৰু ৰাজনাথ সিঙৰ লগতে দলৰ অন্যান্য নেতাসকল উপস্থিত থাকে। ইয়াৰ পূৰ্বে দলৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপস্থিত সাংবাদিকসকলক নৱবৰ্ষ, লহৰী আৰু মকৰ সংক্ৰান্তিৰ শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

চীনে তিববতত বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ নিৰ্মাণ কৰাৰ তথ্য প্ৰকাশ পোৱাৰ পাছতে অৰুণাচল প্ৰদেশৰ আপাৰ ছিয়াং জিলাৰ ছিয়াং নদীত বহুমুখী প্ৰকল্প নিৰ্মাণৰ গুৰুত্ব বৃদ্ধি পাইছে। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে কালি পশ্চিম ছিয়াং জিলাৰ আল'ত গালো কল্যাণ সমাজৰ ৰূপালী জয়ন্তী উদযাপনৰ উদ্বোধনী অনুষ্ঠিত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই প্ৰকল্পটো কোনো জলবিদ্যুৎ প্ৰকল্প নহয় বৰঞ্চ এয়া হৈছে ৰাষ্ট্ৰীয় গুৰুত্ব থকা এটা বহুমুখী প্ৰকল্প। বিগত ৭-৮ বছৰত ৰাজ্যখনৰ ৰাজহ যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ ফলস্বৰূপে ৰাজ্য চৰকাৰে জনমুখী প্ৰকল্প আৰু কল্যাণকামী আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ সক্ষম হৈছে। শ্ৰীখাণ্ডুৱে সম্পদ সৃষ্টিৰ বাবে

ৰাজ্যখনৰ প্ৰাকৃতিক সম্ভাৱনাসমূহৰ বিকাশ ঘটোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয়, যে যিমানেই ৰাজহ সৃষ্টি হ'ব সিমানেই উন্নয়নমুখী কাম-কাজসমূহো বৃদ্ধি হ'ব। অৱশ্যে উন্নয়ন আৰু আধুনিকতাৰ ধামখুমীয়াত ৰাজ্যখনৰ খিলঞ্জীয়া লোককলৰ সাংস্কৃতিক পৰিচয় যাতে বিলুপ্ত নহয় সেই ক্ষেত্ৰত সাৱধান হোৱাতো প্ৰয়োজন বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

পাকিস্তানৰ বালুচিস্তান প্ৰদেশত যোৱা বৃহস্পতিবাৰে এটা কয়লাখনিত গেছ বিস্ফোৰণ হৈ কমেও ১২ জন লোকৰ মৃত্যু হয়। বালুচিস্তানৰ খনিৰ মুখ্য পৰিদৰ্শক আব্দুল ঘানি বালুচে প্ৰকাশ কৰা মতে কুৱেটাৰ ছানজিডি এলেকাৰ খনিত শ্ৰমিকসকলে কয়লা খননৰ সময়ত ওলোৱা মিথেন গেছৰ বাবে এই বিস্ফোৰণ সংঘটিত হয়। বিস্ফোৰণৰ ফলত খনিটো সম্পূৰ্ণ ধবংস হৈ খনিৰ অন্তৰভাগলৈ যোৱা সকলো পথ বন্ধ হৈ পৰাত উদ্ধাৰকাৰ্যত যথেষ্ট অসুবিধাৰ সৃষ্টি হয় বুলি উদ্ধাৰকাৰী দলে প্ৰকাশ কৰিছে। পাকিস্তানৰ আগশাৰীৰ দৈনিক বাতৰি কাকত **ড'নে** প্ৰকাশ কৰা মতে খনিৰ পৰা কালি ৪ জন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হয়।

০০০০০

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰীক সাক্ষাতৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে শ্ৰীমোদীৰ পৰামৰ্শৰে প্ৰয়াগৰাজৰ মহাকুম্ভক সফল কৰি তুলিব পৰা যাব। মহাকুম্ভই নৱ ভাৰতক আধ্যাত্মিক আৰু ডিজিটেল ৰূপত প্ৰদৰ্শনৰ জৰিয়তে দেশৰ চিৰন্তন গৌৰৱৰ প্ৰতীক হিচাপে চিহ্নিত হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত ১৩ জানুৱাৰীত মহাকুম্ভ মেলা আৰম্ভ হ'ব আৰু ২৬ ফেব্ৰুৱাৰীত অন্ত পৰিব।

০০০০০

ভেনেজুৱেলাৰ ৰাষ্ট্ৰপতি নিকোলাছ মাদুৰোৱে কালি পুনৰ তৃতীয়বাৰৰ বাবে দেশখনৰ ৰাষ্ট্ৰপতি হিচাপে শপতগ্ৰহণ কৰে। অনৈতিকভাৱে পুনৰ ক্ষমতা হস্তগত কৰাৰ অভিযোগ তুলি বিৰোধী পক্ষই সাব্যস্ত কৰা প্ৰতিবাদৰ মাজতে ৰাষ্ট্ৰপতিগৰাকীয়ে কালি শপতগ্ৰহণ কৰে। যোৱাবছৰৰ জুলাইত অনুষ্ঠিত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগণনা প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে শুদ্ধ নহয় বুলি বিৰোধী পক্ষই দাবী কৰে। ইফালে আমেৰিকা যুক্তৰাষ্ট্ৰ, স্পেইন, ইউৰোপীয় সংসদ আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় গোটসমূহে মাদুৰোৰ পুনৰ নিৰ্বাচন অবৈধ বুলি ঘোষণা কৰিছে। ইয়াৰ পৰিৱৰ্তে নিৰ্বাসিত বিৰোধী প্ৰাৰ্থী এডমাণ্ডো গঞ্জালেজ উৰুতিয়াক প্ৰকৃত ৰাষ্ট্ৰপতি প্ৰাৰ্থী বুলি অভিহিত কৰে।

০০০০০

ব'ম্বে উচ্চ ন্যায়ালয়ে মহাৰাষ্ট্ৰৰ জলাশয় সমূহৰ সংৰক্ষণ সন্দৰ্ভত নিজাববীয়াকৈ এটা ৰাজহুৱা স্বাৰ্থ জড়িত গোচৰ ৰুজু কৰি শুনানিৰ ব্যৱস্থা কৰিছে। মুখ্য ন্যায়াধীশ ডি কে উপাধ্যায় আৰু ন্যায়াধীশ অমিত বৰকাৰৰ খণ্ড বিচাৰপীঠে উচ্চতম ন্যায়ালয়ৰ এটা নিৰ্দেশৰ ভিত্তিত এই শুনানিৰ ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে ২০২৪ চনৰ ডিচেম্বৰ মাহত উচ্চতম ন্যায়ালয়ে দেশৰ সকলো উচ্চ ন্যায়ালয়ক ৰামছাৰ সংৰক্ষিত অঞ্চল হিচাপে পৰিচিত জলাশয়সমূহৰ সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰ সমূহে ব্যৱস্থা গ্ৰহণ কৰিছে নে নাই, সেই বিষয়টো নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিছিল। গোচৰটোৰ শুনানি গ্ৰহণ কৰি ব'ম্বে উচ্চ ন্যায়ালয়ে কেন্দ্ৰীয় পৰিৱেশ আৰু বন মন্ত্ৰালয়, মহাৰাষ্ট্ৰ চৰকাৰ আৰু মহাৰাষ্ট্ৰ জলাশয় কৰ্তৃপক্ষক জাননী জাৰি কৰে। বিচাৰপীঠখনে অহা ২৫ ফেব্ৰুৱাৰীত গোচৰটোৰ

পুনৰ শুনানি গ্ৰহণ কৰিব। উল্লেখযোগ্য সমগ্ৰ দেশত ৰামচাৰ ছাইট হিচাপে পৰিচিত ৮৫টা জলাশয় আছে। ইয়াৰে তিনিটা জলাশয় মহাৰাষ্ট্ৰত আছে।

০০০০০

কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া চুপাৰ ৰান থাউজেণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত ভাৰতৰ সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটীয়ে আজি ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ চিউ চিউং-জে আৰু কিম ৱন-হোৰ যুটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ৪০ মিনিটত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে কালি কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় যুটীটোৱে মালয়েছিয়াৰ ইউ ছিন ৰং আৰু এ ই টিঅ'ৰ যুটীক ২৬-২৪ আৰু ২১-১৫ পোনপটীয়া গেমত পৰাস্ত কৰে।

০০০০০

ইণ্ডিয়ান চুপাৰ লীগৰ গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত পঞ্জাৱ এফ চি আৰু নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ মাজৰ খেলখন **১-১** গ'লত অমিমাংসিত হৈ ৰয়। নৰ্থ ইষ্টে খেলখনৰ ২৪ মিনিটত আলাএদ্দিন আজাৰাইৰ জৰিয়তে দিয়া গলটোৰে অগ্ৰগতি লাভ কৰিছিল যদিও যদিও পঞ্জাবৰ খাইমিন্থাং লুংডিমে ৮২ মিনিটত দিয়া গলটোৰে সমতা স্থাপন কৰিবলৈ সক্ষম হয়।

আনহাতে আজি সন্ধিয়া চাৰে সাত বজাত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া এখন খেলত পূব বংগৰ বিৰুদ্ধে মোহন বাগান আৰু সন্ধিয়া ৫ বজাত বেংগালুৰুত মহম্মদন এছ চিৰ বিৰুদ্ধে বেংগালুৰু এফ চি অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত